**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-JUNE-2026
**Time :** 09-00 AM

***Assamese Morning Bulletin***

——————————————

০০০০০০

১। ৰাজ্যৰ সমাজ, সাহিত্য, সংস্কৃতি আৰু কলাক্ষেত্ৰলৈ আগবঢ়োৱা অনবদ্য অৰদানৰ বাবে চাৰিগৰাকী ব্যক্তিলৈ বঁটা ঘোষণা।

২। ব্ৰিটিছ সংসদত অসমৰ বৈষ্ণৱ সংস্কৃতি সন্দৰ্ভত মাজুলীৰ আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ডঃ পীতাম্বৰ দেৱগোস্বামীৰ ভাষণ।

৩। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ২১ জুনত পুনৰ হ'বলগীয়া নীট নিয়াৰিকৈ সম্পন্ন কৰিবলৈ গ্ৰহণ কৰা প্ৰস্তুতিৰ পৰ্যালোচনা।

৪। ডবকা সংৰক্ষিত বনাঞ্চলত উচ্ছেদ অভিযানৰ প্ৰস্তুতি। অঞ্চলটোৰ ৫০ পৰিয়াললৈ চূড়ান্ত জাননী। ***আৰু***

৫। বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত উজবেকিস্তানৰ বিৰুদ্ধে কলোম্বিয়াৰ ২-১ গ'লত অগ্ৰগতি।

০০০০০০

অসম চৰকাৰে সমাজ, সাহিত্য, সংস্কৃতি আৰু কলাক্ষেত্ৰলৈ আগবঢ়োৱা অৰদানৰ বাবে কালি চাৰিগৰাকী বিশিষ্ট ব্যক্তিলৈ সন্মানীয় বঁটা ঘোষণা কৰিছে। সেই অনুসৰি জিকিৰ আৰু জাৰীৰ প্ৰসিদ্ধ শিল্পী গোলাঘাটৰ ছামচুদ্দিন আহমেদলৈ ২০২৫ বৰ্ষৰ আজানপীৰ ৰাষ্ট্ৰীয় বঁটা আগবঢ়োৱা হৈছে। সত্ৰীয়া শিল্পী মাণিক বৰবায়ন আৰু চিত্ৰশিল্পী মধুসূদন দাসলৈ ৰাজ্যিক পৰ্যায়ৰ ২০২৬ বৰ্ষৰ বিষ্ণুৰাভা বঁটা আগবঢ়োৱা হৈছে। লেখিকা গীতা উপাধ্যায়লৈ ২০২৬ বৰ্ষৰ সতী সাধনী বঁটা আগবঢ়োৱা হৈছে। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী মাধৱদেৱ প্ৰেক্ষাগৃহত অহা ২০ জুনত হ'বলগীয়া বিষ্ণুৰাভা দিৱসৰ অনুষ্ঠানত আটাইকেইগৰাকী বিশিষ্ট ব্যক্তিক এই বঁটা প্ৰদান কৰা হ'ব। ৰাষ্ট্ৰীয় বঁটাপ্ৰাপকগৰাকীক ৩ লাখ টকা আৰু ৰাজ্যিক বঁটাপ্ৰাপক তিনিগৰাকীক ২ লাখ টকাকৈ ধনৰাশিও প্ৰদান কৰা হ'ব। কালি এখন সংবাদমেলত সাংস্কৃতিক মন্ত্ৰী বিমল বৰাই এই বিষয়ে প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে আটাইকেইগৰাকী বিশিষ্ট ব্যক্তিক আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰে।

**বাইট (বিমল)**

০০০০০০

মাজুলীৰ আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ তথা আউনীআটী বিশ্ববিদ্যালয়ৰ আচাৰ্য ড০ পীতাম্বৰ দেৱগোস্বামীয়ে কালি সন্ধিয়া ব্ৰিটিছ সংসদত অসমৰ বৈষ্ণৱীয় সংস্কৃতি আৰু বহুসাংস্কৃতিক সমাজত ইয়াৰ প্ৰভাৱ শীৰ্ষক অনুষ্ঠানত মুখ্য বক্তা হিচাপে ভাষণ দিয়ে। ব্ৰিটিছ সাংসদ বব ব্লেকমেনৰ উদ্যোগত আয়োজিত এই অনুষ্ঠানত অসমৰ বৈষ্ণৱীয় সংস্কৃতি, সত্ৰ-নামঘৰ ব্যৱস্থা আৰু বহুসাংস্কৃতিক সমাজ গঠনত ইয়াৰ ভূমিকা সম্পৰ্কে বিশদভাৱে আলোচনা অনুষ্ঠিত হয়। ড০ পীতাম্বৰ দেৱগোস্বামীয়ে প্ৰায় ২৫ মিনিটজোৰা ভাষণত অসমৰ বৈষ্ণৱীয় সংস্কৃতিৰ মানৱতাবাদী দৰ্শন আৰু বিশ্বজনীন মূল্যবোধৰ সম্পৰ্কে বিশেষ গুৰুত্ব আৰোপ কৰে। তেওঁ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱৰ আদৰ্শ, সাম্য, ভাতৃত্ববোধ, সহিষ্ণুতা আৰু মানৱতাবাদী দৰ্শনৰ ওপৰত আলোকপাত কৰে। তেওঁ কয়, যে অসমৰ বৈষ্ণৱীয় আন্দোলন অকল ধৰ্মীয় জাগৰণ নাছিল বৰং ই আছিল সমাজ সংস্কাৰ, সাংস্কৃতিক ঐক্য আৰু মানৱীয় মূল্যবোধ প্ৰতিষ্ঠাৰ অনন্য বিপ্লৱ। জাতি-বৰ্ণ-ভাষা আৰু সামাজিক বিভেদৰ ঊৰ্ধত উঠি মানুহক একতাৰ সূত্ৰত বান্ধি

ৰখাৰ ক্ষেত্ৰত সত্ৰ-নামঘৰসমূহে যুগে যুগে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে বুলি তেওঁ উল্লেখ কৰে। সত্ৰাধিকাৰগৰাকীয়ে ভাষণত সত্ৰীয়া নৃত্য, বৰগীত, অংকীয়া নাট, মুখাশিল্প, বৃন্দাবনী বস্ত্ৰ আদি অসমৰ অমূল্য সাংস্কৃতিক সম্পদৰ বিষয়েও আলোচনা কৰে। তেওঁ বিশ্বৰ বিভিন্ন প্ৰান্তত সংঘাত আৰু বিভাজনৰ সময়ত শংকৰী দৰ্শনৰ শান্তি, সহাৱস্থান আৰু পাৰস্পৰিক সন্মানৰ বাণীসমূহ অধিক প্ৰাসংগিক হৈ পৰিছে বুলি মত প্ৰকাশ কৰে। অনুষ্ঠানত ব্ৰিটিছ সাংসদ, সমাজনেতা, গৱেষক, সাংস্কৃতিক কৰ্মী আৰু বিভিন্ন ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তি উপস্থিত থাকে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই  ব্ৰিটেইনৰ সংসদত বৈষ্ণৱীয় সংস্কৃতিৰ বিষয়ে ভাষণ প্ৰদান কৰা ৰাজ্যৰ প্ৰথমগৰাকী সত্ৰাধিকাৰ ড০ পীতাম্বৰ দেৱ গোস্বামীক অভিনন্দন জনাইছে। মুখ্যমন্ত্ৰীগৰাকীয়ে এটা বাৰ্তাযোগে কয়, যে ব্ৰিটিছ সংসদৰ দৰে বিশ্বৰ অন্যতম গণতান্ত্ৰিক আৰু প্ৰভাৱশালী মঞ্চত অসমৰ বৈষ্ণৱীয়, বাণী প্ৰতিধ্বনিত হোৱাটো অকল আউনীআটী সত্ৰ বা মাজুলীৰ বাবেই নহয় বৰং সমগ্ৰ অসমবাসীৰ বাবে অবিস্মৰণীয় গৌৰৱৰ ক্ষণ হিচাপে ইতিহাসত লিপিবদ্ধ হৈ ৰ'ব।

০০০০০০

অহা ২১ জুনত ৰাজ্যত হ'বলগীয়া চিকিৎসা বিজ্ঞানৰ পাঠ্যক্ৰমত নামভৰ্তি পৰীক্ষা – নীট নিয়াৰিকৈ অনুষ্ঠিত কৰিবলৈ গ্ৰহণ কৰা প্ৰস্তুতি কালি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পৰ্যালোচনা কৰে। পৰীক্ষা অনুষ্ঠিত হ'বলগীয়া জিলাসমূহৰ আয়ুক্ত, জ্যেষ্ঠ আৰক্ষী অধীক্ষক আৰু অন্য বিভাগীয় বিষয়াসকলৰ সৈতে মুখ্যমন্ত্ৰীয়ে এই প্ৰস্তুতিৰ বুজ লয়। ৰাজ্যখনৰ ১৭ খন জিলাৰ ৮৭ টা কেন্দ্ৰত হ'বলগীয়া এই পৰীক্ষাত ৪৩ হাজাৰ ৩১৯ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হ'ব। মুখ্যমন্ত্ৰীয়ে কালি পৰ্যালোচনা বৈঠকত এই পৰীক্ষা মুক্ত আৰু নিকাভাৱে অনুষ্ঠিত কৰিবলৈ জিলা আয়ুক্ত আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষকসকলক যৌথভাৱে সকলো কেন্দ্ৰ পৰিদৰ্শন কৰি নিৰাপত্তা ব্যৱস্থা  আৰু আন্তঃগাঁথনিৰ বুজ ল'বলৈ নিৰ্দেশ দিয়ে। তদুপৰি পৰীক্ষাৰ আগদিনাই সকলো কেন্দ্ৰতে চি চি টি ভি ব্যৱস্থা, বায়'মেট্ৰিক সৰঞ্জাম, ম'বাইলৰ সংকেতত বাধা প্ৰদান কৰাৰ বাবে বাধ্যতামূলক কাৰিকৰী নিৰীক্ষণ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। নিৰাপত্তা ব্যৱস্থা অধিক কটকটীয়া কৰিবলৈ পৰীক্ষা কেন্দ্ৰসমূহৰ পৰা ১০০ মিটাৰ দূৰত্বলৈকে উপযুক্ত আইনী নিষেধাজ্ঞা জাৰি কৰিবলৈও মুখ্যমন্ত্ৰীয়ে পৰামৰ্শ দিয়ে। তেওঁ লগতে চি চি টিভিৰ ফুটেজ নিৰীক্ষণৰ বাবে সকলো জিলাত একোগৰাকীকৈ ন'ডেল বিষয়া নিযুক্তি দি সকলো ফুটেজ আকস্মিকভাৱে পৰীক্ষা কৰিবলৈ নিৰ্দেশ দিছে। পৰীক্ষাৰ্থীসকল পৰীক্ষা কেন্দ্ৰত প্ৰৱেশ কৰাৰ পূৰ্বে দুই তৰপীয়া নিৰাপত্তা ব্যৱস্থাৰ মাজেৰে পাৰ হ'ব লাগিব।  তদুপৰি বৈধ প্ৰৱেশ-পত্ৰ লগত থকা পৰীক্ষাৰ্থীসকলৰ বাবে অসম ৰাজ্যিক পৰিবহণ নিগমৰ অধীনৰ বাহনসমূহত পৰীক্ষাৰ দিনটোত যাতায়াত বিনামূলীয়া হ'ব। পৰীক্ষা কেন্দ্ৰসমূহত যাতে কোনোৱে মোবাইল ফোন ব্যৱহাৰ কৰিব নোৱাৰে সেয়া সুনিশ্চিত কৰাৰ উদ্দেশ্যে বিশেষ ব্যৱস্থা লোৱা হ'ব। পৰীক্ষা কেন্দ্ৰসমূহ ২৪ ঘণ্টাই আৰক্ষীৰ নিৰাপত্তা বেষ্টনীৰ অধীনত থাকিব। তদুপৰি প্ৰশ্নকাকতসমূহ সামৰিক বাহিনীৰ বিষয়াৰ জৰিয়তে সৰবৰাহ কৰা হ'ব।

কাছাৰ জিলাতো নীট সুকলমে পৰিচালনাৰ বাবে জিলা প্ৰশাসনে সকলো পৰীক্ষা কেন্দ্ৰৰ চৌপাশে বি এন এছ এছৰ ১৬৩ ধাৰাৰ অধীনত নিষেধাজ্ঞা জাৰি কৰিছে। জিলাখনৰ ৭ টা পৰীক্ষা কেন্দ্ৰত এই পৰীক্ষা অনুষ্ঠিত হ'ব। জিলা আয়ুক্ত আয়ুস গাৰ্গে পৰীক্ষা নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে প্ৰশাসনৰ সকলো নিৰ্দেশনা মানি চলিবলৈ জনসাধাৰণক আহ্বান জনাইছে।

০০০০০০

শক্তিপীঠ কামাখ্যা ধামত অহা ২২ জুনৰ পৰা হ'বলগীয়া অম্বুবাচী মেলাৰ বাবে ৰাজ্য চৰকাৰ আৰু কামৰূপ মহানগৰ জিলা প্ৰশাসনে পূৰ্ণ গতিত প্ৰস্তুতি অব্যাহত ৰাখিছে। ৰাজ্যৰ পৰ্যটন মন্ত্ৰী অজন্তা নেওগে কালি অম্বুবাচী মেলালৈ আহিবলগীয়া ভক্তসকলৰ বাবে থকা-খোৱাৰ ব্যৱস্থা আৰু অন্যান্য প্ৰস্তুতিৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে পাণ্ডু জাহাজঘাট, কামাখ্যা ৰে'ল ষ্টেচন আৰু নাহৰবাৰীস্থিতি আৱাস শিবিৰসমূহ পৰিদৰ্শন কৰে আৰু সংশ্লিষ্ট বিষয়াসকলক ভক্তসকলৰ সুবিধা, সুৰক্ষা আৰু সুব্যৱস্থাপনা নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে। কামাখ্যা মন্দিৰৰ সমীপৰ এখন ল'জ

আয়োজিত সংবাদ মেলত শ্ৰীমতী নেওগে কয় যে অম্বুবাচী মেলালৈ আহিবলগীয়া ভক্তসকলৰ বাবে কামাখ্যা ৰে'ল ষ্টেচন, পাণ্ডু বন্দৰ আৰু পাণ্ডুৰ নাহৰবাৰীত তিনিটা শিবিৰ স্থাপন কৰা হৈছে। এই শিবিৰসমূহত হেজাৰ হেজাৰ ভক্তৰ বাবে থকা-খোৱাৰ সুব্যৱস্থা কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে কামাখ্যা ধামলৈ উঠি যোৱা পথৰ ১০০ মিটাৰ দূৰে দূৰে শিবিৰ স্থাপন কৰা হৈছে। তেওঁ লগতে পথত খোৱাপানীৰো পৰ্যাপ্ত দিহা কৰা হৈছে বুলি জানিবলৈ দিয়ে। এইবাৰৰ মেলাত ৮ লক্ষাধিক ভক্তৰ সমাগম হ'ব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

**(বাইট)**

০০০০০০

দক্ষিণ নগাঁও বন বিভাগ আৰু হোজাই জিলা প্ৰশাসন ডবকা সংৰক্ষিত বনাঞ্চলত উচ্ছেদ অভিযান চলোৱাৰ বাবে সাজু হৈছে। এই অভিযানৰ প্ৰথম পৰ্যায়ত যমুনা মৌডংগা সংৰক্ষিত বনাঞ্চলৰ উদমাৰী টংঙীয়া গাঁৱত উচ্ছেদ চলোৱা হ'ব। বন বিভাগে এই সংক্ৰান্তত কালি অঞ্চলটোৰ ৫০ পৰিয়াললৈ চূড়ান্ত জাননী জাৰি কৰে। এই পৰিয়ালসমূহক ১৫ দিনৰ ভিতৰত সংৰক্ষিত বনাঞ্চল ভূমি খালী কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। যিসকলৰ হাতত ভূমিৰ কোনো বৈধ নথিপত্ৰ আছে, তেওঁলোকক এসপ্তাহৰ ভিতৰত সংশ্লিষ্ট কৰ্তৃপক্ষৰ ওচৰত এই নথি দাখিল কৰিবলৈ কোৱা হৈছে। নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত বৈধ নথি দাখিল কৰিব নোৱাৰিলে আইনী ব্যৱস্থাৰে উচ্ছেদ কৰা হ'ব বুলি জাননীত উল্লেখ কৰা হৈছে। প্ৰাপ্ত তথ্য অনুসৰি ৯ জুলাইৰ পাছত দ্বিতীয় পৰ্যায়ত সংৰক্ষিত বনাঞ্চলত বাস কৰি থকা আন ১৫২টা পৰিয়ালকো উচ্ছেদ কৰা হ'ব। উল্লেখযোগ্য যে জানুৱাৰীত চলা উচ্ছেদ অভিযানৰ সময়ত এই পৰিয়ালকেইটাক সাময়িকভাৱে উচ্ছেদৰ আওঁতাৰ বাহিৰত ৰখা হৈছিল। সেই সময়ত সৰ্বোচ্চ ন্যায়ালয়ত বিষয়টো বিচাৰাধীন হৈ থকা বাবে প্ৰশাসনে উচ্ছেদ স্থগিত ৰাখিছিল। কিন্তু বৰ্তমান কোনো আইনী বাধা নথকাৰ পৰিপ্ৰেক্ষিতত বন বিভাগ সম্পূৰ্ণ সংৰক্ষিত বনাঞ্চলখন দখলমুক্ত কৰাৰ লক্ষ্যৰে আগবাঢ়িছে।

০০০০০০

সমগ্ৰ শিক্ষা অসমে ৰাজ্যৰ ৩৯ হাজাৰ ৪১৫ খন বিদ্যালয়লৈ ২০২৬-২৭ বৰ্ষৰ বাবে বাৰ্ষিক অনুদানৰ ১০ শতাংশ ধন মোকলাই দিছে। সমগ্ৰ শিক্ষাৰ কাৰ্যবাহী সঞ্চালক বিপুল কুমাৰ দাসে কালি এই সন্দৰ্ভত সকলো জিলাৰ মিছন সমন্বয়কলৈ পত্ৰ প্ৰেৰণ কৰে। এই পত্ৰত অনুদানৰ ধন ব্যৱহাৰ সন্দৰ্ভত যাৱতীয় নিৰ্দেশনা দিয়া হৈছে। পত্ৰত উল্লেখ কৰা অনুসৰি বাৰ্ষিক অনুদানৰ ধনেৰে বিদ্যুতৰ মাচুল পৰিশোধ কৰা বিষয়টোক অগ্ৰাধিকাৰ দিবলৈ কোৱা হৈছে। আনহাতে, অনুদানৰ ১০ শতাংশ স্বচ্ছতা কাৰ্যসূচীত ব্যয় কৰিব লাগিব বুলিও নিৰ্দেশ দিয়া হৈছে। নীতি-নিৰ্দেশনা মানি ২৫ জুনৰ ভিতৰত এই ধনৰাশি ব্যয় কৰিবলৈ বিদ্যালয়সমূহক নিৰ্দেশ দিয়া হৈছে।

০০০০০০

ফিফা বিশ্বকাপ ফুটবলৰ মেক্সিক'ত অনুষ্ঠিত কে গ্ৰুপৰ এখন খেলত কলম্বিয়া উজবেকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। খেলখনৰ ৭৮ মিনিটলৈকে কলোম্বিয়াই ২-১ গলত আগবাঢ়ি আছে। ইয়াৰ আগেয়ে ঘানা আৰু পানামাৰ মাজত টৰণ্টো ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ এলৰ এখন খেলত ঘানাই পানামাক ১-০ গ'লত পৰাজিত কৰে।

আন এখন খেলত ইংলেণ্ডে ক্ৰ'ৰেছিয়াৰ বিৰুদ্ধে ৪-২ গ'লত জয়লাভেৰে নিজৰ অভিযান আৰম্ভ কৰিছে। আমেৰিকাৰ ডালাছত অনুষ্ঠিত খেলখনৰ প্ৰথমাৰ্ধত ইংলেণ্ডৰ অধিনায়ক হেৰী কেনে ১২ আৰু ৪২ মিনিটত পেনাল্টিৰ জৰিয়তে দুটা গ'ল কৰাৰ বিপৰীতে ক্ৰ'ৰেশিয়াৰ হৈ মাৰ্টিন বাটুৰিনাই ৩৬ মিনিটত আৰু পেটৰ মুছাই ৪৫ মিনিটত এটাকৈ গ'ল কৰি সমতা স্থাপন কৰে। পাছলৈ দ্বিতীয়াৰ্ধৰ আৰম্ভণিতে ৪৭ মিনিটত জুড বেলিঙাম আৰু ৮৫ মিনিটত মাৰ্কাছ ৰেশ্ব্-ফ'ৰ্ডে একোটাকৈ গ'ল কৰি ইংলেণ্ডৰ জয় নিশ্চিত কৰে।

প্ৰতিযোগিতাৰ আন এখন খেলত পৰ্তুগাল কংগোৰ বিৰুদ্ধে ১-১ গ'লত ড্ৰ'তে সন্তুষ্ট থাকিবলগীয়া হয়। খেলখনত পৰ্তুগালৰ জাও নেভেছে ষষ্ঠ মিনিটত গ'ল কৰি দলক অগ্ৰগতি দিয়ে যদিও ৪৫ মিনিটত

কংগোৰ হৈ ইয়ন ৰিছাই সমতা স্থাপন কৰে। এই খেলখনৰ জৰিয়তে পৰ্তুগালৰ অধিনায়ক ক্ৰিষ্টিয়ানো ৰোনাল্ডো ফিফা বিশ্বকাপৰ খেল এখনত আৰম্ভণি কৰা আটাইতকৈ বয়োজ্যেষ্ঠ আউটফিল্ড খেলুৱৈ হিচাপে পৰিগণিত হয়।

০০০০০০

মহিলাৰ টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত কালি ভাৰতে নেদাৰলেণ্ডছক ৯৫ ৰানৰ ব্যৱধানত পৰাস্ত কৰে। লিডছৰ হেডিংলীত অনুষ্ঠিত গ্ৰুপ এ-ৰ খেলখনত প্ৰথমে বেটিং কৰি ভাৰতে স্মৃতি মান্ধানাৰ ৭৪ আৰু শেফালী বাৰ্মাৰ ৫৫ ৰানৰ অৰিহনাৰে নিৰ্ধাৰিত ২০ অ'ভাৰত ৫টা উইকেট হেৰুৱাই ২১০ ৰানৰ বিজয়লক্ষ্য বান্ধি দিয়ে।

প্ৰত্যুত্তৰত নেদাৰলেণ্ডছে ১৭ অ'ভাৰ আৰু ৩ টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১১৪ ৰানহে কৰিবলৈ সমৰ্থ হয়। ভাৰতৰ হৈ শ্ৰীচৰণীয়ে চাৰিটা উইকেট দখল কৰে। স্মৃতি মান্ধানাক খেলখনৰ শ্ৰেষ্ঠ খেলুৱৈ হিচাপে ঘোষণা কৰা হয়।

০০০০০০

জাহ্নৱী কাশ্যপে গুজৰাটৰ আহমেদাবাদত অনুষ্ঠিত ৭৯ সংখ্যক ছিনিয়ৰ ৰাষ্ট্ৰীয় একুৱেটিক চেম্পিয়নশ্বিপৰ মহিলাৰ ২০০ মিটাৰ ফ্ৰিষ্টাইল শিতানত কালি ৰূপৰ পদক অৰ্জন কৰি ৰাজ্যলৈ গৌৰৱ কঢ়িয়াই আনিছে। জাহ্নৱীয়ে ২ মিনিট আৰু ৫ দশমিক ৯-৩ ছেকেণ্ডত সাঁতোৰ সম্পূৰ্ণ কৰি দ্বিতীয় স্থান দখল কৰে। এই শিতানত অলিম্পিয়ান ধিনিধি দেশিংগুয়ে ২ মিনিট আৰু ৩ দশমিক ৭ ছেকেণ্ডত সাঁতোৰ সম্পূৰ্ণ কৰি স্বৰ্ণ পদক হস্তগত কৰে। উল্লেখযোগ্য প্ৰতিযোগিতাৰ প্ৰথম দিনা মহিলাৰ ২০০ মিটাৰ বাটাৰফ্লাইট অসমৰ প্ৰতিভাৱান সাঁতোৰবিদ আস্থা চৌধুৰীয়ে সোণৰ অৰ্জন কৰিছিল।

০০০০০০

বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত ৰচিত হোৱা কেইবাটাও অভিলেখ তথা কেইবাগৰাকী খেলুৱৈৰ দুৰ্দান্ত প্ৰদৰ্শনৰ বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত কেইবাখনো বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাত এটা মুখ্য বাতৰিৰূপে প্ৰকাশ কৰা হৈছে।

আমাৰ অসম কাকতে এই সম্পৰ্কীয় এটা বাতৰি **অনবদ্য হেট্ৰিকেৰে মেছিৰ শেষ বিশ্বকাপৰ যাদুকৰী আৰম্ভ, এমবাপ্পেৰ অভিলেখ, অপ্ৰতিৰোধ্য হালাণ্ড** শিৰোনামেৰে প্ৰকাশ কৰিছে।

দৈনিক অসম কাকতত একেটা বাতৰিৰ শিৰোনাম **এতিয়াও আৰ্জেণ্টিনা অদমনীয় নায়ক ঃ বিশ্বকাপৰ সৰ্বোচ্চ ক্ল'জৰ ৰেকৰ্ড স্পৰ্শ- হেট্ৰিক- মেছি মেজিকত মুগ্ধ ক্ৰীড়া সমাজ।**

অসমীয়া প্ৰতিদিন কাকতে বাতৰিটো **মহানায়ক মেছিৰ অবিশ্বাস্য হেট্ৰিকত প্ৰাণৰ সঞ্চাৰ বিশ্বকাপত** শীৰ্ষকেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

ফ্ৰান্সত অনুষ্ঠিত জি-ছেভেন সন্মিলনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অংশগ্ৰহণ তথা বিভিন্ন বিশ্বনেতাৰ সৈতে হোৱা আলোচনাৰ প্ৰসংগও আজিৰ কাকতসমূহে প্ৰাধান্য দিছে।

দৈনিক জনমভূমি কাকতত বাতৰিটো **কেতবোৰ উন্নত দেশৰ মানসিকতালৈ আঙুলিয়াই জি-৭ শীৰ্ষ সন্মিলনত প্ৰধানমন্ত্ৰীয়ে ক'লে- আস্থা পুনৰ স্থাপনৰ ওপৰত নিৰ্ভৰ কৰিছে বিশ্বৰ ভৱিষ্যৎ** আৰু দি আছাম ট্ৰিবিউন কাকতে **Talks on G7 Summit Sidelines - Trump praises Modi as Tough Negotiator** শিৰোনামেৰে প্ৰকাশ কৰিছে।

দি ছেণ্টিনেল কাকতত অসমত শীঘ্ৰেই আৰম্ভ হ'বলগীয়া ড্ৰোনযোগে ডাকসেৱা সম্পৰ্কীয় এটা খবৰৰ শীৰ্ষক- **Assam set for drone postal delivery; 40 routes identified**। নিয়মীয়া বাৰ্তা কাকতে অসমৰ বৈষ্ণৱীয় আৰু সত্ৰীয়া সংস্কৃতিৰ ইতিহাসত নতুন অধ্যায় ৰচনাৰে আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড০

পীতাম্বৰ দেৱগোস্বামীয়ে ব্ৰিটিছ সংসদত বৈষ্ণৱীয় সংস্কৃতি আৰু বহুসাংস্কৃতিক সমাজত ইয়াৰ প্ৰভাৱ শীৰ্ষক অনুষ্ঠানত মুখ্য বক্তাৰূপে ভাষণ প্ৰদান কৰাৰ বাতৰিটো প্ৰথম পৃষ্ঠাত স্থান দিছে।

পুনৰ অনুষ্ঠিত হ'বলগীয়া ২০২৬ বৰ্ষৰ নীট পৰীক্ষাৰ প্ৰস্তুতি সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰশাসনৰ সৈতে মিলিত হোৱা পৰ্যালোচনা বৈঠকৰ বাতৰি অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ৰাজ্য চৰকাৰে ৰাভা দিৱসৰ সৈতে সংগতি ৰাখি আজানপীৰ বিষ্ণুৰাভা আৰু সতী সাধনী বঁটাপ্ৰাপকসকলৰ নাম ঘোষণা কৰাৰ বাতৰি এটা দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

আহক আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰৰ ঠাই বিশেষে বিজুলী-ঢেৰেকণিৰে বৰষুণ অহাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**